লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# 'কাঁইটত কেতেকী' এক আলোকপাত

✍ সাক্ষী প্ৰিয়ম্বদা

'কাঁইটত কেতেকী' হৈছে এখন কিশোৰ উপন্যাস। এই উপন্যাসখনৰ লেখিকা অৰূপা পটঙ্গীয়া কলিতা।

**উপন্যাসখনৰ কাহিনীভাগ :**

জানমণি নামৰ ল'ৰা এজনে মাক-দেউতাক আৰু বায়েকৰ সৈতে নগৰত বাস কৰিছিল। জানমণি বৰ উৎপতীয়া, চঞ্চল ল'ৰা আছিল। খং উঠিলে সি হাততে যি বস্তু পায় তাকে ভাঙি পেলাইছিল। এদিন সি এটা কুকুৰ পোৱালি পালে। তাৰ নাম ৰাখিলে ভুলু। ভুলুৰ লগত থাকি থাকি তাৰ উৎপাতবোৰ কমি গ'ল। সি আগতে পঢ়াত বেয়া আছিল। কিন্তু ভুলুক পোৱাৰে পৰা জানমণিৰ পঢ়া-শুনা উন্নত হ'ল। জানমণিয়ে ভুলুৰ ছবি আঁকিলে আৰু মনতে ভুলুৰ বাবেই একান্ত মনে পঢ়ি যাম বুলি প্ৰতিজ্ঞা কৰিলে। লাহে লাহে তাৰ পঢ়াত আৰু অধিক উন্নতি হোৱাৰ লগতে জানমণি ছবি আঁকাতো পাৰ্গত হৈ উঠিল।

**উপন্যাসখনৰ চৰিত্ৰসমূহ :**

এই উপন্যাসখনত মুঠ ৪১ টা চৰিত্ৰ আছে। ইয়াৰে ৩১ টা মানুহৰ আৰু ১০ টা জন্তুৰ মানুহৰ চৰিত্ৰবোৰৰ ভিতৰত জানমণি আৰু জন্তুৰ চৰিত্ৰবোৰৰ ভিতৰত ভুলু হ'ল মূল চৰিত্ৰ।

**উপন্যাসখনৰ আলোচনা :**

এই উপন্যাসখনৰ জৰিয়তে লেখিকাই ক'ব বিচাৰিছে যে-

১) জানমণি সৰু থাকোতে কাগজ ফলাৰ 'চেৰেক চেৰেক' শব্দটোৱে আমোদ দিছিল। মাক-দেউতাকেও সেই কামত বাধা নিদি কাগজ ফালিবলৈ দি বহুৱাই থৈছিল। লাহে লাহে সি অন্য বস্তুও ভাঙিবলৈ ল'লে আৰু কোনো বাধা নোপোৱাৰ বাবে এইটো তাৰ অভ্যাসত পৰিণত হ'ল। অৰ্থাৎ সন্তানে কিবা অনুচিত কাম কৰা দেখিলে মাক-

দেউতাকে বাধা দিব লাগে। নহ'লে ভবিষ্যতে সমস্যাৰ সন্মুখীন হ'ব লগীয়া হ'ব পাৰে।

২) মাক-দেউতাকে জানমণিক সময় দিব পৰা নাছিল। এদিন অংক এটা নুবুজি দেউতাকক বুজাই দিবলৈ কোৱাত দেউতাকে তাক গালি পাৰিছিল। অৰ্থাৎ মাক-দেউতাকে তাক সময় দিব নোৱাৰাৰ বাবেও সি ভুল পথেৰে পৰিচালিত হৈছিল। কিন্তু ভুলুক পোৱাৰে পৰা জানমণিয়ে তাৰ আজৰি সময়খিনি ভুলুৰ লগত খেলি ব্যৱহাৰ কৰাত তাৰ উৎপাত কমিছিল। অৰ্থাৎ ল'ৰা-ছোৱালীক মাক-দেউতাকে সময় দিব লাগে।

৩) জানমণিয়ে সকলোধৰণৰ অংক পাৰে আৰু অংক বিষয়টি ভাল পায়। পিছে জানমণিহঁতৰ অংকৰ শিক্ষয়িত্ৰী গৰাকীয়ে অংক নুবুজায়। ব'ৰ্ডত অংকবোৰ পাতি দি হ'মৱৰ্ক, ক্লাছৱৰ্ক দিয়ে আৰু বেয়া বেয়াকৈ গালি দিয়ে। এগৰাকী শিক্ষয়িত্ৰী হিচাপে তেওঁৰ স্বভাব এনে হ'ব নালাগে। তেওঁৰ এনে স্বভাবেও জানমণিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল। সেইবাবেই সি পঢ়াত অমনোযোগী হৈছিল আৰু স্কুলত দুষ্টামি কৰিছিল।

৪) জানমণিয়ে মাক-দেউতাকক পইচা খুজিলে একো নোকোৱাকৈয়ে সি ডেৰশ-দুশ টকা পাই গৈছিল আৰু সেই পইছাৰে চিনেমাৰ কেছেট কিনি, মাৰ-পিটৰ চিনেমা চাই চাই জানমণি দুষ্টামিবোৰ ক্ৰমে বাঢ়ি গৈছিল। অৰ্থাৎ মাক-দেউতাকে ল'ৰা-ছোৱালীৰ হাতত বিনা কাৰণত পইচা তুলি দিব নালাগে।

**উপন্যাসখনৰ নামটো :**

এই উপন্যাসখনৰ নাম 'কাঁইটত কেতেকী' হোৱাৰো কাৰণ আছে। কেতেকী ফুল বৰ প্ৰতিকূল পৰিৱেশত ফুলে কিন্তু ই বৰ ধুনীয়া আৰু সুগন্ধি ফুল। কেতেকী এজোপা কাঁইটীয়া উদ্ভিদ। উপন্যাসখনৰ মূল চৰিত্ৰ জানমণি প্ৰতিকূল পৰিৱেশত ডাঙৰ হৈয়ো ভাল ল'ৰা হৈ পৰিল। এই ক্ষেত্ৰত ভুলুৰ ভূমিকা লেখত ল'বলগীয়া। ভুলু যেন জানমণিৰ পথ প্ৰদৰ্শক; অৰ্থাৎ ল'ৰা-ছোৱালী ভাল হ'বলৈ এগৰাকী ভাল পথ প্ৰদৰ্শক লাগে। লেখিকাই এই উপন্যাসখনৰ জৰিয়তে ইয়াকে বুজাব বিচাৰিছে।

**আলোচনা :**

এই উপন্যাসৰ কাহিনীটো লেখিকাই বাস্তৱ জীৱনৰ পৰা সংগ্ৰহ কৰিছে। জানমণি, মাজনি,

পাপুৰ দৰে ল'ৰা-ছোৱালী আৰু জানমণিৰ মাক-দেউতাকৰ দৰে মাক-দেউতাক বহুত আছে। এনে মাক-দেউতাকে সন্তানৰ সমস্যাবোৰ গভীৰভাৱে ভাবি নাচায়। সেইবাবে বহুত ল'ৰা-ছোৱালী বেয়া হয়। লেখিকাই সমস্যাটো বিশ্লেষণ কৰি সমাজক এটা সুন্দৰ বাৰ্তা দিবলৈ সক্ষম হৈছে। এই বাবেই এই কিতাপখন কেৱল ল'ৰা-ছোৱালীয়েই নহয়, তেওঁলোকৰ মাক-দেউতাকেও পঢ়া দৰকাৰ।

**যোগাযোগৰ ঠিকনা:**
ছাত্ৰী,
অসম জাতীয় বিদ্যালয়, নুনমাটী